Total No. of Printed Pages—7

26 T—POSC

2016

POLITICAL SCIENCE

Full Marks : 100

Pass Marks : 30

Time : 3 hours

The figures in the margin indicate full marks for the questions

PART—A / ক—শাখা

(Contemporary World Politics)

(সমসাময়িক বিশ্ব ৰাজনীতি)

1. Answer the following as directed : 1×6=6
তলত দিয়াবোৰৰ নিৰ্দেশানুযায়ী উত্তৰ দিয়া :

(a) Who was the first Secretary-General of the UNO?
ৰাষ্ট্ৰসংঘৰ প্ৰথমগৰাকী সচিবপ্ৰধান কোন আছিল ?

(b) Write the full form of WTO.
WTO-ৰ সম্পূৰ্ণ ৰূপটো লিখা।

(c) Cuban Missile Crisis occurred in the year _____.
(Fill in the blank)

কিউবা ক্ষেপণাস্ত্ৰ সংকট _____ চনত হৈছিল।
(খালী ঠাই পূৰণ কৰা)

(d) Who started political and economic reforms in USSR?
ছোভিয়েট ইউনিয়নত ৰাজনৈতিক আৰু অৰ্থনৈতিক সংস্কাৰ কোনে আৰম্ভ কৰিছিল ?

(e) Where was the first SAARC Summit held?
ছাৰ্কৰ প্ৰথমখন শীৰ্ষ সম্মিলন ক'ত অনুষ্ঠিত হৈছিল ?

(f) What do you mean by 'Open Door' Policy?
'মুক্ত দুৱাৰ' নীতি বুলিলে তুমি কি বুজা ?

2. Write the name of two countries which emerged out of Soviet disintegration. 2
ছোভিয়েট ইউনিয়নৰ বিভাজনৰ পিছত সৃষ্টি হোৱা দুখন দেশৰ নাম লিখা।

3. The border conflict between China and India in 1962 was principally over _____ and _____ regions.
(Fill in the blanks) 2
চীন আৰু ভাৰতৰ মাজত 1962 চনত হোৱা সীমা সংঘাত মূলতঃ _____ আৰু _____ক লৈ হৈছিল।
(খালী ঠাই পূৰণ কৰা)

4. Mention two issues on which India and Bangladesh cooperate. 2
ভাৰত আৰু বাংলাদেশৰ মাজত সহযোগিতা থকা দুটা ক্ষেত্ৰ উল্লেখ কৰা।

5. Name two arms control agreements signed by the two super-powers during Cold War era. 2
শীতল যুদ্ধৰ সময়ত দুই মহাশক্তিয়ে স্বাক্ষৰ কৰা দুখন অস্ত্ৰ নিয়ন্ত্ৰণ চুক্তিৰ নাম লিখা।

6. Mention two sources of threats to human being. 2
মানৱজাতিয়ে সন্মুখীন হোৱা দুটা ভাবুকি উল্লেখ কৰা।

7. Write the name of two organizations involved with economic globalization. 2
অৰ্থনৈতিক বিশ্বায়নৰ সৈতে জড়িত দুটা সংগঠনৰ নাম লিখা।

8. Write a note on achievements of Non-Aligned Movement (NAM). 4
গোষ্ঠী-নিৰপেক্ষ আন্দোলন (NAM)ৰ সফলতা সম্পৰ্কে এটা টোকা লিখা।

9. What is the relation between migration and human security? Discuss. 4

প্ৰব্ৰজন আৰু মানৱীয় নিৰাপত্তাৰ মাজৰ সম্পৰ্ক কি ? আলোচনা কৰা ।

10. Discuss about the constraints on US hegemony. 4

আমেৰিকা যুক্তৰাষ্ট্ৰৰ প্ৰাধান্যৰ ক্ষেত্ৰত প্ৰতিবন্ধকতাসমূহৰ বিষয়ে আলোচনা কৰা ।

11. Discuss briefly about the political consequences of globalization. 4

বিশ্বায়নৰ ৰাজনৈতিক পৰিণতিসমূহৰ বিষয়ে চমুকৈ আলোচনা কৰা ।

12. Justify India's claim for permanent membership in the UN Security Council. 4

ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদত ভাৰতৰ স্থায়ী সদস্য পদৰ দাবীৰ যুক্তিযুক্ততা প্ৰতিপন্ন কৰা ।

13. What are the major areas of influence of European Union? Discuss in detail. 6

ইউৰোপীয় সংঘই প্ৰভাৱ বিস্তাৰ কৰা প্ৰধান ক্ষেত্ৰবোৰ কি ? বিশদভাৱে আলোচনা কৰা ।

Or / অথবা

How can permanent peace be established in South Asia? Discuss. 6

দক্ষিণ এছিয়াত স্থায়ী শান্তি প্ৰতিষ্ঠা কেনেদৰে কৰিব পাৰি ? আলোচনা কৰা ।

14. Discuss the latest trend in Indo-US relationship. 6

আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ভাৰতৰ মাজৰ সম্পৰ্কৰ শেহতীয়া ধাৰাৰ বিষয়ে আলোচনা কৰা ।

Or / অথবা

Discuss India's stands in global environmental debates. 6

বিশ্বজনীন পাৰিবেশিক বিতৰ্কৰ ক্ষেত্ৰত ভাৰতৰ স্থিতি আলোচনা কৰা ।

PART—B / খ—শাখা

(Politics in India since Independence)

(স্বাধীনোত্তৰ ভাৰতৰ ৰাজনীতি)

15. Answer the following as directed : 1×6=6
তলত দিয়াবোৰৰ নিৰ্দেশানুযায়ী উত্তৰ দিয়া :

(a) Who is regarded as the 'Father of Green Revolution' in India?

ভাৰতবৰ্ষত 'সেউজ বিপ্লৱৰ পিতৃ' হিচাপে কাক আখ্যা দিয়া হয় ?

(b) When was the State Reorganization Act adopted?

ৰাজ্য পুনৰগঠন আইন কেতিয়া গ্ৰহণ কৰা হৈছিল ?

(c) The anti-arrack movement is considered as a women's movement.

(Write True or False)

আৰাক বিৰোধী আন্দোলনক নাৰী আন্দোলন হিচাপে গণ্য কৰিব পাৰি।

(শুদ্ধ নে অশুদ্ধ লিখা)

(d) Who started 'Total Revolution'?

'সৰ্বাত্মক বিপ্লৱ' কোনে আৰম্ভ কৰিছিল ?

(e) Which party is the first regional party to form government in a State?

কোনো ৰাজ্যত চৰকাৰ গঠন কৰা প্ৰথম আঞ্চলিক দলটোৰ নাম কি ?

(f) Article _____ of the Indian Constitution gives special status to Jammu and Kashmir.

(Fill in the blank)

ভাৰতীয় সংবিধানৰ _____ নম্বৰ অনুচ্ছেদে জম্মু আৰু কাশ্মীৰক বিশেষ মৰ্যাদা প্ৰদান কৰিছে।

(খালী ঠাই পূৰণ কৰা)

16. Write two features of coalition government in India. 2
ভাৰতৰ সম্মিলিত চৰকাৰৰ দুটা বৈশিষ্ট্য লিখা।

17. Mention two recommendations of the Mandal Commission. 2
মণ্ডল আয়োগৰ দুটা পৰামৰ্শ উল্লেখ কৰা।

18. Write two features of party system in India. 2
ভাৰতৰ দলীয় ব্যৱস্থাৰ দুটা বৈশিষ্ট্য লিখা।

19. Write two consequences of 1977 Lok Sabha Election. 2
1977 চনৰ লোকসভা নিৰ্বাচনৰ দুটা ফলাফল লিখা।

20. Mention two major objectives of Jawaharlal Nehru's foreign policy. 2
জৱহৰলাল নেহৰুৰ বৈদেশিক নীতিৰ দুটা প্ৰধান উদ্দেশ্য উল্লেখ কৰা।

21. Write two causes of origin of regionalism in India. 2
ভাৰতত আঞ্চলিকতাবাদৰ উৎপত্তিৰ দুটা কাৰণ লিখা।

22. Why did India adopt policy of non-alignment? Discuss. 4
ভাৰতে কিয় গোষ্ঠী-নিৰপেক্ষ নীতি গ্ৰহণ কৰিছিল? আলোচনা কৰা।

23. Discuss briefly about Narmada Bachao Andolan. 4
নৰ্মদা বাচাও আন্দোলনৰ বিষয়ে চমুকৈ আলোচনা কৰা।

24. Explain briefly about 'Two-Nation Theory'. 4
'দ্বি-জাতি তত্ত্ব' সম্পৰ্কে চমুকৈ ব্যাখ্যা কৰা।

25. Write the main objectives of planning in India. 4
ভাৰতত পৰিকল্পনাৰ মূল উদ্দেশ্যসমূহ লিখা।

26. Discuss about the controversy relating to Presidential Election of 1969. 4
1969 চনৰ ৰাষ্ট্ৰপতি নিৰ্বাচনৰ সৈতে জড়িত বিতৰ্কৰ বিষয়ে আলোচনা কৰা।

27. Discuss the consequences of National Emergency declared on 25th June, 1975. 6
1975 চনৰ 25 জুনত ঘোষণা কৰা জাতীয় জৰুৰী অৱস্থাৰ পৰিণতিসমূহ আলোচনা কৰা।

Or / অথবা

Discuss about the conflict between judiciary and executive during the decade of 1970. Who was the Prime Minister of India during that time? 5+1=6
1970-ৰ দশকত সংঘটিত হোৱা ন্যায়পালিকা আৰু কাৰ্যপালিকাৰ সংঘাত সম্পৰ্কে আলোচনা কৰা। সেই সময়ত ভাৰতৰ প্ৰধানমন্ত্ৰী কোন আছিল?

28. What do you mean by Green Revolution? Discuss the consequences of Green Revolution. 2+4=6
সেউজ বিপ্লৱ বুলিলে কি বুজা? সেউজ বিপ্লৱৰ ফলাফলসমূহ আলোচনা কৰা।

Or / অথবা

Discuss the role of Planning Commission in India. Write the name of the organization which replaces Planning Commission now. 5+1=6
ভাৰতত পৰিকল্পনা আয়োগৰ ভূমিকা আলোচনা কৰা। বৰ্তমান পৰিকল্পনা আয়োগৰ স্থানত থকা সংগঠনটোৰ নাম লিখা।

★★★